**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 14-07-**2025 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

সমগ্ৰ দেশতে আগষ্টৰ পৰা ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণৰ বাবে নিৰ্বাচন আয়োগে ব্যৱস্থা গ্ৰহণ কৰিছে। উচ্চতম ন্যায়ালয়ত এই সন্দৰ্ভত চলি থকা গোচৰৰ অহা ২৮ জুলাইত শুনানিৰ পাছতে নিৰ্বাচন আয়োগে সিদ্ধান্ত গ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। বিহাৰৰ দৰেই দেশৰ আন আন ৰাজ্যসমূহতো নিৰ্বাচন আয়োগে ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ আৰম্ভ কৰিব বুলি পূৰ্বে ঘোষণা কৰিছিল যদিও এই প্ৰক্ৰিয়া কেতিয়া আৰম্ভ কৰিব সেয়া স্পষ্ট কৰা নাছিল। অহা আগষ্টৰ পৰা দেশজুৰি ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ আৰম্ভ কৰাৰ বাবে নিৰ্বাচন আয়োগে ৰাজ্যসমূহত আয়োগৰ বিষয়া-কৰ্মচাৰীসকলক সক্ৰিয় কৰি তুলিছে।

০০০০০০০

প্ৰসিদ্ধ কবি, ঔপন্যাসিক, শিশু সাহিত্যিক নৱকান্ত বৰুৱাৰ মৃত্যু তিথি উপলক্ষে আজি তেওঁৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হৈছে। অসমীয়া আধুনিক কবিতাক নতুন মাত্ৰা প্ৰদান কৰা কবিগৰাকীৰ কবিতাসমূহ জীৱনৰ ৰহস্য, প্ৰেমৰ অনুপম প্ৰকাশকে ধৰি বিভিন্ন বিষয়বস্তুৰে সমৃদ্ধ। মোৰ আৰু পৃথিৱীৰ কাব্যগ্ৰন্থৰ বাবে ১৯৭৪ চনত অসম প্ৰকাশন পৰিষদ বঁটা আৰু ১৯৭৫ চনত ককাদেউতাৰ হাঁড় উপন্যাসৰ বাবে সাহিত্য একাডেমী বঁটা লাভ কৰা কবি-সাহিত্যিকগৰাকী এখুদ ককাইদেউ নামেৰে শিশু সাহিত্যত পৰিচিত। ১৯৭৬ চনত পদ্মভূষণ সন্মান লাভ কৰা বৰুৱাই ১৯৯৩ চনত অসম উপত্যকা সাহিত্য বঁটা লাভ কৰিছিল। ১৯৯০ চনত অসম সাহিত্য সভাৰ সভাপতিৰ পদ অলংকৃত কৰা সাহিত্যিকগৰাকীৰ ২০০২ চনৰ ১৪ জুলাইত মৃত্যু হৈছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সাহিত্যিকগৰাকীৰ পূণ্য তিথি উপলক্ষে আজি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে অসমীয়া ভাষা সাহিত্যৰ উজ্জ্বল নক্ষত্ৰস্বৰূপ নৱকান্ত বৰুৱাৰ গীত, কবিতা তথা সাহিত্যৰ অন্যান্য ৰচনাসমূহে জনসাধাৰণৰ মনত বিশেষভাৱে সাঁচ বহুৱাইছিল বুলি মন্তব্য কৰে।

০০০০০০০

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত দুলীয়াজানত ১০ দিনীয়াকৈ গ্ৰীষ্মকালীন কৰ্মশালা অনুষ্ঠিত হৈছে। দুলীয়াজান মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত কৰ্মশালাত নাটক, সত্ৰীয়া নৃত্য, লোক তথা পৰম্পৰাগত নৃত্য, কবিতা আবৃত্তি, তৰ্ক ইত্যাদিৰ প্ৰশিক্ষণ দিয়া হৈছে। দুলীয়াজান সমষ্টিৰ বিধায়ক তেৰছ গোৱালাই কৰ্মশালাত উপস্থিত হৈ শিক্ষাৰ্থী আৰু প্ৰশিক্ষকৰ সৈতে মত বিনিময় কৰে।

০০০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত আয়োজিত গুৱাহাটী শিশু মহোৎসৱত ভালেসংখ্যক শিশুৰ লগতে অভিভাৱকৰ সমাগম হৈছে। মহোৎসৱথলীত আজিও শিশুসকলৰ বাবে কেইবাটাও আকৰ্ষণীয় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কালি কাৰ্যসূচীৰ অংশ হিচাপে সঁফুৰা বৃত্তি প্ৰদান কৰা হয়। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত সঁফুৰা বৃত্তি পৰীক্ষা আৰু সঁফুৰা টেলেণ্ট ডিছক'ভাৰী এনিমেচনত কৃতিত্ব সহকাৰে বৃত্তি লাভ কৰা শিক্ষাৰ্থীসকলক বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত ভাষণ প্ৰসংগত মন্ত্ৰী ডাঃ পেগুৱে কয়, যে শিক্ষাৰ্থীসকলে প্ৰাথমিক পৰ্যায়ৰ পৰাই জ্ঞানৰ ভেটিটো শক্তিশালী ৰূপত গঢ়িব লাগে। এইক্ষেত্ৰত অভিভাৱক আৰু শিক্ষক সমাজে দায়বদ্ধতাৰে কাম কৰা বাঞ্ছনীয় বুলি তেওঁ কয়। ছাত্ৰ-ছাত্ৰীসকলৰ ব্যক্তিত্ব আৰু বৌদ্ধিক বিকাশৰ বাবে কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তুলিবলৈ তেওঁ আহ্বান জনায়। সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি বন্দিতা ফুকনে মোবাইলৰ অপব্যৱহাৰৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক বিৰত থাকিবলৈ আহ্বান জনায়। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাহিত্যিক, সঁফুৰাৰ মুখ্য সম্পাদক কুলধৰ শইকীয়াই শিক্ষাৰ্থীক উদ্দেশ্যি মনোগ্ৰাহী ভাষণ দিয়ে। এই অনুষ্ঠানত কেইবাজনো বিশিষ্ট ব্যক্তি আৰু শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে এই বৰ্ষত ৪৫ হাজাৰতৈও অধিক ছাত্ৰ-ছাত্ৰীয়ে সঁফুৰা বৃত্তি পৰীক্ষা অৱতীৰ্ণ হৈছে।

০০০০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ সোণাপুৰত আজি পুৰা মানকাচৰ আৰক্ষীয়ে নৈশ বাছ এখনৰ পৰা বুজন পৰিমাণৰ মাদকদ্ৰব্যসহ এজন সৰবৰাহকাৰীক আটক কৰিছে। আৰক্ষীয়ে ধৃত সৰবৰাহকাৰীজনৰ পৰা ৫০ হাজাৰটা নিচাজাতীয় টেবলেট উদ্ধাৰ কৰে। জব্দ কৰা মাদকদ্ৰব্যখিনিৰ মূল্য পাঁচ কোটি টকাৰো অধিক হ'ব বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে।

ইপিনে, জাগীৰোড ৰে'ল ষ্টেচনৰ সমীপৰ পৰা আজি বৃহৎ পৰিমাণৰ মাদক দ্ৰব্যৰ লগতে এগৰাকী মহিলাক আটক কৰা হয়। মণিপুৰৰ ২৫ বছৰীয়া মহিলাগৰাকীয়ে ৯টা চাবোনৰ বাকচত হেৰ'ইন ভৰাই আনিছিল। জব্দ কৰা হেৰ'ইনখিনিৰ আন্তঃৰাষ্ট্ৰীয় বজাৰত মূল্য প্ৰায় ৫ কোটি টকা বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। মণিপুৰৰ পৰা নৈশ বাছেৰে আহি জাগীৰোডত উপস্থিত হোৱা মহিলাগৰাকীৰ গতিবিধিত সন্দেহ ওপজাত দণ্ডাধীশৰ উপস্থিতিত আৰক্ষীয়ে তালাচী চলাই মাদকদ্ৰব্যসমূহ জব্দ কৰে। উল্লেখযোগ্য যে এই সৰবৰাহ কাৰ্যত এটা বৃহৎ চক্ৰ জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰি আৰক্ষীয়ে মণিপুৰৰ মহিলাগৰাকীক সোধাপোছা কৰি আছে।

০০০০০০

অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত দুলীয়াজানত ১০ দিনীয়াকৈ গ্ৰীষ্মকালীন কৰ্মশালা অনুষ্ঠিত হৈছে। দুলীয়াজান মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত কৰ্মশালাত নাটক, সত্ৰীয়া নৃত্য, লোক তথা পৰম্পৰাগত নৃত্য, কবিতা আবৃত্তি, তৰ্ক ইত্যাদিৰ প্ৰশিক্ষণ দিয়া হৈছে। দুলীয়াজান সমষ্টিৰ বিধায়ক তেৰছ গোৱালাই কৰ্মশালাত উপস্থিত হৈ শিক্ষাৰ্থী আৰু প্ৰশিক্ষকৰ সৈতে মত বিনিময় কৰে।

০০০০০০০

লৰ্ডছত চলি থকা এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলৰ আজি পঞ্চম দিনা ভাৰতে কালি চাৰিটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৫৮ ৰানৰ পৰা নিজৰ দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিব। কালি খেল সামৰাৰ পৰলৈকে কে এল ৰাহুলে ৩৩ ৰান কৰি খেলি আছিল। লৰ্ডছ টেষ্ট জয়ৰ বাবে ভাৰতক সম্প্ৰতি ১৩৫ ৰানৰ প্ৰয়োজন। চতুৰ্থ দিনৰ  শেষৰটো বলত কালি ইংলেণ্ডৰ অধিনায়ক বেন ষ্টকছে আকাশ দীপক মাত্ৰ ১ ৰানতে আউট কৰে। ইয়াৰ পূৰ্বে ঘৰুৱা দল ইংলেণ্ডে নিজৰ দ্বিতীয় ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ১৯২ ৰান কৰে। ভাৰতৰ হৈ ৱাশ্বিংটন সুন্দৰে ৪টা, মহম্মদ ছিৰাজ আৰু যশপ্ৰীত বুমৰাই দুটাকৈ  উইকেট দখল কৰে। প্ৰত্যুত্তৰত ভাৰতে ইনিংছ আৰম্ভ কৰিয়েই  জোফ্ৰা আৰ্ছাৰৰ বলত য়শস্বী জয়ছোৱালৰ উইকেট হেৰুৱাই বিপৰ্যয়ৰ সন্মুখীন হয়। ইপিনে, অধিনায়ক শুভমন গিল আৰু কৰুণ নায়াৰ ব্ৰাইডন কাৰ্চৰ বলত আউট হৈ পেভিলিয়নলৈ ওভতে।

০০০০০০০

**সমাপ্ত**